**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Time :** 19-10 Hrs
Date : 05-05-2025

***Assamese Evening Bulletin***
***Headlines***

১। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰত ভাৰতে চেনাব নদীৰ বাগলিহাৰ বান্ধৰ মাজেৰে যোৱা পানীৰ সোঁত বন্ধ কৰি দিছে।

২। উচ্চতম ন্যায়ালয়ে ৱকফ সংশোধনী আইন ২০২৫ ৰ সাংবিধানিক বৈধতাৰ সৈতে জড়িত বিষয়টো চলিত মাহৰ ১৫ তাৰিখে পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য্য কৰিছে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী জেনেৰেল নাকাটানিৰ সৈতে নতুন দিল্লীত দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

৪। আজি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ইটালীৰ মিলানত অনুষ্ঠিত ৫৮ সংখ্যক এ দি বিৰ বাৰ্ষিক বৈঠকৰ সময়ত এছিয়ান ডেভেলপমেণ্ট বেংকৰ সভাপতি মাছাতো কান্দাক সাক্ষাৎ কৰে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি কিছুসময় পাছতে হায়দৰাবাদত হবলগীয়া এখন খেলত ডেলহি কেপিটেল্‌ছ ছান ৰাইজাৰ্চ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত পাকিস্তানৰ বিৰুদ্ধে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে। ভাৰতে চেনাব নদীৰ বাগলিহাৰ বান্ধৰ মাজেৰে যোৱা পানীৰ সোঁত বন্ধ কৰি দিছে। আকাশবাণী জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি ভাৰতে সিন্ধু নদীৰ পৰা পাকিস্তানলৈ এক টোপাল পানীও যাবলৈ নিদিয়া সিদ্ধান্ত গ্ৰহণ কৰি বাগলিহাৰ বান্ধৰ পৰা পানীৰ প্ৰবাহ বন্ধ কৰিছে। ভাৰতে ঝেলাম নদীৰ কিষাণ গংগা বান্ধটো অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিকল্পনা কৰিছে। জম্মু সংমণ্ডলৰ ৰামবন জিলাৰ বাগলিহাৰ আৰু উত্তৰ কাশ্মীৰৰ কিষাণ গংগা জলবিদ্যুৎ বান্ধে ভাৰতক পানী এৰি দিয়াৰ  সময় নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা প্ৰদান কৰে। উল্লেখযোগ্য যে ভাৰতে ইতিমধ্যে ২২ এপ্ৰিলৰ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছতে বহু দশক পুৰণি সিন্ধু জলচুক্তি বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০

ভাৰতীয় প্ৰতিৰক্ষা বাহিনীসমূহৰ কেইটামান ৱেৱছাইট  পাকিস্তানী হেকাৰে হেক কৰাৰ প্ৰয়াস চলোৱাৰ বিষয়ে তথ্য পোৱা গৈছে। প্ৰতিৰক্ষা সূত্ৰই নতুন দিল্লীত প্ৰকাশ কৰা অনুযায়ী পাকিস্তানী হেকাৰে ইণ্ডিয়ান মিলিটাৰী ইঞ্জিনিয়াৰিং চাৰ্ভিছ আৰু মনোহৰ পাৰিকাৰ ইন্সটিটিউট অৱ ডিফেন্স ষ্টাডিজ এণ্ড এনালাইছিছৰ ৱেৱছাইটকেইটাত প্ৰৱেশ কৰি প্ৰতিৰক্ষা বাহিনীৰ বিষয়া কৰ্মচাৰীৰ ব্যক্তিগত লগ ইন তথ্য লাভ কৰাৰ সম্ভেদ পোৱা গৈছে। ইয়াৰ উপৰি পাকিস্তানী হেকাৰে ভাৰতত আৰ্মৰ্ড ভেহেকল নিগম লিমিটেডৰ চৰকাৰী ৱেৱছাইটতো অনাধিকাৰ প্ৰৱেশৰ

চেষ্টা চলায়। হেকাৰসকলে এই ছাইটটোত পাকিস্তানৰ পতাকা আৰু পাকিস্তানৰ অল খলিদ টেংকৰ ছবি সংস্থাপন কৰে। সতৰ্কতামূলক ব্যৱস্থা হিচাপে আৰ্মৰদ ভেহেকেল নিগম লিমিটেডৰ ৱেৱছাইটটো অফলাইন কৰা হৈছে। ভাৰতীয় চাইবাৰ নিৰাপত্তা বিশেষজ্ঞ আৰু সংশ্লিষ্ট সংস্থাসমূহে পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰখাৰ লগতে ভাৰতৰ সংবেদনশীল ৱেৱছাইট সমূহৰ ওপৰত সম্ভাব্য হেকিঙৰ বিৰুদ্ধে চলোৱা প্ৰয়াসৰ ওপৰত নিৰন্তৰ চকু ৰাখিছে।

০০০০০

উচ্চতম ন্যায়ালয়ে ৱকফ সংশোধনী আইন ২০২৫ ৰ সাংবিধানিক বৈধতাৰ সৈতে জড়িত বিষয়টো চলিত মাহৰ ১৫ তাৰিখে পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য্য কৰিছে। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনৰ দ্বাৰা গঠিত বিচাৰপীঠে  এই আইনখনৰ সাংবিধানিক বৈধতাক প্ৰত্যাহ্বান জনোৱা আবেদনৰ এটা গোচৰৰ শুনানি  গ্ৰহণ কৰি আছিল। শুনানিৰ সময়ত মুখ্য ন্যায়াধীশে কয়, যে তেওঁলোকে কেন্দ্ৰীয় চৰকাৰে দিয়া শপতনামা সুক্ষ্মভাৱে অধ্যয়ন কৰা নাই। তেওঁ কয়, যে এই বিষয়টো পৰৱৰ্তী মুখ্য ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গৱাইৰ ওচৰত ৰখা হ'ব। তেওঁ লগতে কয়, যে তেওঁ ন্যায়াধীশ গৱাইক বিষয়টোৰ ওপৰত অধ্যয়ন কৰিবলৈ কিছু সময় দিব বিচাৰিছে। উল্লেখযোগ্য যে ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গৱাইয়ে চলিত মাহৰ ১৪ তাৰিখে ভাৰতৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিব।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী জেনেৰেল নাকাটানিৰ সৈতে নতুন দিল্লীত দ্বিপাক্ষিক বৈঠকত মিলিত হয়। দুয়োখন দেশে সন্ত্ৰাসবাদক গৰিহণা দিয়াৰ লগতে ভাৰত জাপান বিশেষ কৌশলগত আৰু গোলকীয় অংশীদাৰিত্বৰ প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ দিশসমূহ আলোচনা কৰে। ভাৰত আৰু জাপানৰ দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে আঞ্চলিক শান্তিৰ বাবে দুয়োখন দেশে প্ৰতিশ্ৰুতিবদ্ধ হয়। দুয়োগৰাকী নেতাই ভাৰত আৰু জাপানৰ মাজৰ সামুদ্ৰিক সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে নতুন মাত্ৰা সংযোজন কৰিবলৈ সন্মত হয়। আৰম্ভণি ভাষণত শ্ৰী সিঙে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰেক্ষাপটত ভাৰত চৰকাৰলৈ আগবঢ়োৱা আন্তৰিকতাপূৰ্ণ সহমৰ্মিতাৰ বাবে জাপান চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। একে সময়তে তেওঁ দুয়োখন দেশৰ মাজৰ প্ৰতিৰক্ষামূলক সম্পৰ্ক অধিক গভীৰ কৰি তোলাৰ বিষয়ত আগবঢ়োৱা বৰঙণিৰ বাবে জেনেৰেল নাকাটানিৰ শলাগ লয়। জম্মু কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ বাবে জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী জেনেৰেল নাকাটানিয়ে শোক প্ৰকাশ কৰে আৰু ভাৰতক পূৰ্ণ সমৰ্থন জনায়। বৈঠকৰ পূৰ্বে জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীক তিনিওটা বাহিনীয়ে সামৰিক অভিবাদন জ্ঞাপন কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদ্মশ্ৰী বঁটা বিজয়ী কে বি ৰাৱিয়াৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে  শ্ৰীমোদীয়ে কয়, যে সাক্ষৰতা বৃদ্ধিৰ ক্ষেত্ৰত কে ভি ৰাৱিয়াৰ অগ্ৰণী কাৰ্য সদায় স্মৰণীয় হৈ থাকিব। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে, তেওঁক সাহস আৰু দৃঢ়তা বিশেষকৈ তেওঁ পলিঅ'ৰ বিৰুদ্ধে যুঁজ দিয়াৰ ধৰণটোও অতি প্ৰেৰণাদায়ক।

০০০০০

আজি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ইটালীৰ মিলানত অনুষ্ঠিত ৫৮ সংখ্যক এ দি বিৰ বাৰ্ষিক বৈঠকৰ সময়ত এছিয়ান ডেভেলপমেণ্ট বেংকৰ সভাপতি মাছাতো কান্দাক সাক্ষাৎ কৰে। বৈঠকৰ সময়ত বিত্তমন্ত্ৰীগৰাকীয়ে

কয়, যে ভাৰতে ব্যক্তিগত খণ্ডৰ নেতৃত্বত অৰ্থনৈতিক বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ বাবে ভাৰতে বিভিন্ন পদক্ষেপেৰে ধাৰাবাহিকভাৱে অনুকুল নীতি আৰু নিয়ন্ত্ৰণ পৰিবেশ তন্ত্ৰ সৃষ্টি কৰি ৰাখিছে। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে ভাৰতে এ দি বি নতুন আৰু উদ্ভাৱনীমূলক বিত্তীয় সামগ্ৰী আৰম্ভ কৰাৰ সুযোগ প্ৰদান কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰত ২০৪৭ ৰ দৃষ্টিভংগীৰ ওপৰত এ দি বিৰ সভাপতিগৰাকীয়ে ভাৰতৰ উন্নয়নত অগ্ৰাধিকাৰ দিয়াৰ ক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতা কৰাৰ কথা প্ৰকাশ কৰে।

00000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি গিয়ানী জেইল সিঙৰ ১০৯ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে। নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধা তৰ্পণ কৰে। উল্লেখযোগ্য যে ১৯১৬ চনৰ আজিৰ দিনটোতেই পাঞ্জাবৰ ফৰিডকোট জিলাত জন্মগ্ৰহণ কৰা গিয়ানী জেইল সিঙে ১৯৮২ চনৰ পৰা ১৯৮৭ চনলৈকে দেশৰ সপ্তমগৰাকী ৰাষ্ট্ৰপতি হিচাপে সেৱা আগবঢ়াইছিল।

0000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত জাপানৰ প্ৰতিনিধি সংসদৰ অধ্যক্ষ ফুকুচিৰো নুকাগাক তেওঁৰ সংসদীয় সতীৰ্থ আৰু ব্যৱসায়িক প্ৰতিনিধিসকলৰ সৈতে সাক্ষাৎ কৰে। ড° জয়শংকৰে সামাজিক মাধ্যমযোগে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ভাৰতক সমৰ্থন জনোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে ভাৰত আৰু জাপানৰ মাজৰ স্বাভাৱিক সম্পৰ্ক গঢ়ি তোলাত শ্ৰীনুকাগাৰ নেতৃত্বৰ শলাগ লয়। দুযোগৰাকী নেতাই প্ৰতিভাৰ বিনিময় বৃদ্ধি, ব্যৱসায়িক সংযোগ বৃদ্ধি আৰু প্ৰযুক্তি অংশীদাৰিত্ব গঢ়ি তোলাৰ বাবে কাৰ্যসূচী প্ৰস্তুত কৰিবলৈ সন্মত হয়।

00000

প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তেওঁৰ নতুন দিল্লীস্থিত বাসভৱনত সাক্ষাৎ কৰে। ইতিমধ্যে তিনিওটা বাহিনীৰ মুৰব্বীকেইগৰাকীৰ সৈতে সুকীয়াকৈ আলোচনা কৰাৰ পাছত আজিৰ বৈঠকত প্ৰধানমন্ত্ৰীগৰাকীয়ে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰৱৰ্তী পৰ্যায়ত প্ৰতিৰক্ষা সচিবগৰাকীৰ সৈতে প্ৰতিৰক্ষা সম্পৰ্কীয় বিভিন্ন বিষয় লৈ আলোচনা কৰে।

00000

কানাডাস্থিত খালিস্তানী সন্ত্ৰাসবাদী অৰ্শ দল্লাৰ সৈতে জড়িত ২০২৪ চনত নিমৰাণা হোটেলত সংঘটিত গুলিচালনাৰ ঘটনা সন্দৰ্ভত কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চমুকৈ নিয়াই ৰাজস্থান, হাৰিয়ানা আৰু দিল্লীৰ ১০ টা স্থানত অভিযান চলায়। জনসাধাৰণৰ পৰা ধন দাবীৰ লক্ষ্যৰে সন্ত্ৰাসবাদীয়ে হোটেলত আক্ৰমণ চলোৱাৰ অভিযোগ উত্থাপিত হৈছিল। এন আই এৰ তদন্তত প্ৰকাশ পোৱা মতে খালিস্তানী সংগঠনৰ বাবে ধন সংগ্ৰহৰ উদ্দেশ্যে সন্ত্ৰাসবাদীয়ে এই আক্ৰমণ সংঘটিত কৰিছিল। অভিযানৰ সময়ত সংস্থাটোৱে আপত্তিজনক ইলেকট্ৰনিক সামগ্ৰী জব্দ কৰিছে। সন্ত্ৰাসবাদী দলটোৰ বিৰুদ্ধে তদন্ত অব্যাহত আছে বুলি নিয়াই জানিবলৈ দিয়ে।

00000

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **গ্ৰীষ্মৰ দিনত সুৰক্ষিতভাৱে থকা** সন্দৰ্ভত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ বিজ্ঞানী ড° আৰ কে জেনামানি আৰু লেডী

হাৰ্ডিঞ্জ চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ অধ্যাপক ড° অনুপম প্ৰকাশৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত গ্ৰীষ্মজনিত ৰোগৰ সমস্যা আৰু ইয়াৰ চিকিৎসা সম্বন্ধে ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰাৰ লগতে সামাজিক মাধ্যম **এক্সত, হেছটেগ AskAir** ৰ জৰিয়তেও প্ৰশ্ন সুধিব পাৰিব।

ooooo

খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া সমাৰোহৰ দ্বিতীয় দিনা কাবাডী, আৰ্চ্চাৰী আৰু গাদকাৰ কেইবাখনো প্ৰতিযোগিতা অনুষ্ঠিত হয়।  প্ৰতিযোগিতাৰ কালিৰ উদ্বোধনী অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে তেওঁৰ চৰকাৰে বাজেটত ক্ৰীড়াৰ বাবে নিৰ্ধাৰিত ধন ৰাশি বৃদ্ধি কৰিছে। অনুষ্ঠানত ভাষণ দি তেওঁ ভাৰতক ২০৩৬ চনৰ অলিম্পিক ক্ৰীড়াৰ বাবে শক্তিশালী দেশ হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দিয়ে। আজি ছোৱালী শাখাৰ ফুটবলত তামিলনাডুৱে বিহাৰক ২-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। গাদকাৰ ছোৱালীৰ দলীয় শাখাত বিহাৰে গোৱাক পৰাস্ত কৰে। একেদৰে ছোৱালী শাখাত অসমে-তেলেংগানাক পৰাস্ত কৰে। গাদকাৰ দলীয় শাখাত পাঞ্জাব, ঝাৰখণ্ড আৰু তামিলনাডুৱে বিজয় সাব্যস্ত কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি কিছুসময় পাছতে হায়দৰাবাদত হবলগীয়া এখন খেলত ডেলহি কেপিটেল্ছ ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। চানৰাইজাৰ্ছ হায়দৰাবাদে টচত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ